**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং - ৫৩**
**উত্তৰ দানৰ তাৰিখ – ০৮/০৭/২০২৬**

তৰাযুক্ত প্ৰশ্ন নং – ৫৩
বিষয়ঃ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত খেতিপথাৰ সমূহত জলসিঞ্চন ব্যৱস্থা গ্ৰহণ কৰাৰ সম্পৰ্কে।

বিধায়ক – শ্ৰী হিমাংশু শেখৰ বৈশ্যঃ

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কিছু সংখ্যক খেতি পথাৰ পানীৰ অভাৱত ছন পৰা পৰিলক্ষিত হৈছে? উক্ত খেতিপথাৰ সমূহত জলসিঞ্চন ব্যৱস্থাৰ কিবা পৰিকল্পনা আছে নেকি ? বিষয়টো সদনত বিতংকৈ জনাব।

**মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ**

পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কৃষকসকলৰ সুবিধাৰ্থে বৰ্তমান জলসিঞ্চনৰ ১৬ (ষোল্ল) খন কাৰ্যক্ষম আঁচনিৰ জৰিয়তে প্ৰায় ৪,৯৮৪ হেক্টৰ কৃষিভূমিত নিয়মীয়াকৈ জলসিঞ্চনৰ সুবিধা প্ৰদান কৰা হৈছে।

কাৰ্যক্ষম আঁচনিসমূহৰ তালিকা অসম বিধানসভাৰ নিৰ্দেশানুসৰি **অনুবন্ধ-১** হিচাপে বিধানসভাৰ ৱেবচাইত “www.cms.neva.gov.in” ত আপলোদ কৰা হ'ল।

ইয়াৰ উপৰিও, তলত উল্লেখিত নতুন জলসিঞ্চন আঁচনিসমূহৰ কাম বৰ্তমান অগ্ৰগতিৰ পথত আছে—

ক) ৩ (তিনিখন) মধ্য গভীৰ নলীনাদ আঁচনি (MDTW)
খ) ২ (দুখন) অগভীৰ নলীনাদ আঁচনি (STW)

উল্লেখিত আঁচনিসমূহ সম্পূৰ্ণ হোৱাৰ পিছত অতিৰিক্ত প্ৰায় ৩৮ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ সুবিধা উপলব্ধ হ'ব।

ইয়াৰ লগতে, বহিঃসাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্প (External Aided Project–EAP), সিঞ্চন নিয়ন্ত্ৰণাধীন এলেকা উন্নয়ন প্ৰকল্পৰ আধুনিকীকৰণ (MCAD), ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি (SOPD-G), ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক (NABARD), ৰাজ্য দুৰ্যোগ প্ৰশমন পুঁজি (SDMF) আৰু মেৰামতি (M&R) আদি শিতানৰ অধীনত নতুন জলসিঞ্চন আঁচনি ৰূপায়ণৰ সম্ভাৱনা পৰ্যালোচনা কৰা হৈছে। সংশ্লিষ্ট শিতানসমূহৰ অধীনত প্ৰয়োজনীয় প্ৰশাসনিক অনুমোদন লাভ সাপেক্ষে অধিক কৃষিভূমিক জলসিঞ্চন ব্যৱস্থাৰ আওতালৈ অনাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

XXXXX

## Annexure-I

| SL. NO. | Names of Scheme | Potential Availabe (in Ha) |
|---|---|---|
| *1* | *2* | *3* |
| 1 | Bortary Bejortary Solar Operated MDTW Scheme (3pts) | 20 |
| 4 | Kulia Nizora FIS | 200 |
| 5 | Ubhati FIS | 1000 |
| 6 | Batha FIS | 1380 |
| 7 | Kalmoni FIS | 450 |
| 9 | Kopili FIS | 1500 |
| 10 | Installation of Tube Well Schemes under PMKSY -HKKP Access to Ground Water at Boko LAC (50 nos), Chaygaon LAC (50 Nos) and Palashbari LAC ( 35 Nos) | 80 |
| 11 | Installation of 35 nos of Solar Operated Tube Well Scheme at Moujuli Char Area and 40 nos of Electrical Operated Tube Well scheme at Rani Area | 240 |
| 12 | Installation of 14 nos of Tube well with provision for Solar and Electrical Operation (Hybrid System) in Amtola and Malliata Village under Palashbari LAC | 40 |
| 13 | Installation of 8 Nos Hybrid Tube Wells | 20 |
| 14 | Installation of Hybrid Irrigation Scheme (3 points). | 4 |
| 15 | Solar Powered MDTW (3 Points) at Palashbari LAC | 30 |
| 16 | Installation of Solar Shallow TubeWell Schemes (5 Pts.) at Palashbari LAC | 20 |

Talukdar

Executive Engineer
Palashbari Jalukbari Division
(Irrigation), Palashbari